স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

NO-69 WEDNESDAY 15 MAY 2024 (ডিব্ৰুগড় সংস্কৰণ/DI

## দিৱস

হয়। আন এক
ংমাক। বিদ্যালয়ৰ
দিতাই কৌৰ আৰু
ৰ্যসূচীৰ সঞ্চালনা
বড়ায় এঞ্জেলিকা
হাজৰিকাৰ লগতে
কী উপস্থিত থাকে।

## নদীৰ কৃত নি যুৱক

জানাই, ১৪ মে'ঃ
পুৰা সংঘটিত হ'ল
ৰিবলৈ গৈ পুৰা
ত সন্ধানহীন হ'ল
বংগলী গাঁৱৰ ২৮
ভুবন দাস। কালি
বজাত দুই বন্ধুৱ
াসে এখন সৰু

# কানৈ মহাবিদ্যালয়-নয়দাৰ জিএনআই অ'টিৰ বুজাবুজি চুক্তি



**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৪ মে'ঃ** ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় আৰু গ্ৰেটাৰ নয়দাস্থিত গ্ৰেটাৰ নয়দা ইনষ্টিটিউট অৱ টেকন'লজী (জিএনআইঅ'টি), ইনষ্টিটিউট অৱ মেনেজমেণ্ট ষ্টাডিজৰ মাজত ১১ মে'ত হোটেল ৰাজ মেৰিডিয়ানৰ সভাকক্ষত বুজাবুজি চুক্তি সম্পন্ন হয়। কানৈ মাহবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালী, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতিপ্ৰসাদ ফুকন, সমন্বয়ক উদ্ভাৱন অধ্যাপক আদিত্য দাহাল, জি এন আই অ' টিৰ গ্ৰুপ হেড পংকজ কুমাৰ, জিমছৰ ৰিজ'নেল হেড প্ৰদীপ দে', জি এন আই অ' টিৰ উপ-সভাপতি চন্দ্ৰকান্ত সিং আৰু কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, স্বেচ্ছাসেৱী সংগঠন স্পিয়েৰৰ অধ্যক্ষ জ্যোতিময় হাজৰিকাৰ উপস্থিতিত উক্ত বুজাবুজি চুক্তিত স্বাক্ষৰ কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° ৰঞ্জন চাংমাই, ডিব্ৰুগড় চৰকাৰী বালক বিদ্যালয়ৰ অধ্যক্ষ হৃদয় চৌধুৰী, গুৰুকুলৰ অধ্যক্ষ বাসৱী ভট্টাচাৰ্য হাজৰিকা, ড° ৰাধাকৃষ্ণন বিদ্যালয়ৰ অধ্যক্ষ বিকাশ গগৈকে ধৰি ডিব্ৰুগড় চহৰৰ ভালেকেইখন শিক্ষানুষ্ঠানৰ অধ্যাপক-অধ্যাপিকা, স্বেচ্ছাসেৱী সংগঠন স্পিয়েৰৰ বিষয়ববীয়াৰ লগতে চহৰখনৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উক্ত বুজাবুজি চুক্তিৰ জৰিয়তে দুয়োখন শিক্ষানুষ্ঠানৰ মাজত শৈক্ষিক প্ৰক্ৰিয়া অধিক ক্ষিপ্ৰতৰ কৰিবৰ বাবে শৈক্ষিক বিনিময়, আলোচনা-চক্ৰ, কৰ্মশালা, প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰাৰ লগতে বিভিন্ন ধৰণৰ গৱেষণামূলক কাৰ্যসূচী অনুষ্ঠিত কৰাত বহুখিনি সুবিধা হ'ব।

প্ৰাৰ্থ

ন

ভাপতি অতুল
ষ্ঠাৰ দিন নিৰ্ধা